# - তত্ত্বাৱধায়িকাৰ একাষাৰ-

সংগীতা গোস্বামী

জিলা আঁচনি বিষয়া (শিক্ষক প্ৰশিক্ষণ)

কামৰূপ ।

অসম চৰকাৰে গঠন কৰা জিলা শৈক্ষিক অন্ত:কৰণ গোট (DACG-> District Academic Core Group) অৰ্থাৎ সমগ্ৰ শিক্ষা ,শিক্ষা বিভাগ , কামৰূপ আৰু জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান(DIET), কামৰূপৰ সদস্যসকলৰ সৌজন্যত এক বৈদ্যুতিন আলোচনী (E-Magazine) "গুৰুবাৰ্তা" প্ৰকাশৰ প্ৰয়াস কৰা হৈছে । ইয়াৰ মূখ্য উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণ সাধন কৰা । চৰকাৰী ভাৱে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহ শিক্ষক ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক সকলৰ মাজলৈ লৈ যোৱাৰ লগতে ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ অৱকাশ ৰচনা কৰা । "গুৰুবাৰ্তা"ই শিক্ষা প্ৰশাসন, শিক্ষক সমাজ, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক/অভিভাবিকা সকলৰ বাবে এক সেঁতু হিচাবে ধ্বজা বহন কৰিব । ইয়াত "শিক্ষকৰ মনৰ বতৰা"," অকণিৰ আকাশ","ৰং-তুলিকা" আদি বিভিন্ন শিতানৰ যোগেদি জিলা খনৰ প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ ,শিক্ষক সমাজে ওচৰ চাপিবৰ কাৰণে যত্ন কৰা হৈছে । আশা কৰা হৈছে জিলাখনৰ সকলোৱে সঠিকভাৱে আগবাঢ়িবৰ বাবে পথ প্ৰদৰ্শক হ'ব ।

"গুৰুবাৰ্তা"

"প্ৰাথমিক পৰ্য্যায়ৰ পৰা উচ্চ মাধ্যমিক পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ উত্তৰণৰ পথত । "